# NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2026
**Time :** 1340 Hrs.

## *Assamese MIDDAY Bulletin*

১। বিজেপিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিন আৰু ৰাজহুৱা জীৱনত তেওঁৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি অহা ১৭ ছেপ্তেম্বৰৰ পৰা মাহজোৰা সেৱা সংকল্প অভিযান ৰূপায়ন কৰিব।

২। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত আজি নৱম ৰাষ্ট্ৰীয় পোষণ অৰ্থাৎ পৰিপুষ্টি মাহ ২০২৬ মুকলি কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি কলম্বোত শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী অনুৰা কুমাৰা দিছানায়কেৰ সৈতে বৈঠকত মিলিত হয়।

৪। নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৬৫ হৈছেগৈ। ***আৰু***

৫। জৱাহৰ নৱোদয় বিদ্যালয়ৰ ২৭ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ অনুষ্ঠান কাইলৈ নতুন দিল্লীৰ সংসদ ভৱনত অনুষ্ঠিত হ'ব।

০০০০

বিজেপিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিন আৰু ৰাজহুৱা জীৱনত তেওঁৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি অহা ১৭ ছেপ্তেম্বৰৰ পৰা মাহজোৰা সেৱা সংকল্প অভিযান ৰূপায়ন কৰিব। নতুন দিল্লীত আজি এখন সংবাদমেলত বিজেপিৰ সভাপতি নীতিন নবীনে কয় যে অহা ৭ অক্টোবৰত শ্ৰী মোডীয়ে ৰাজহুৱা সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ কৰিব। ২০০১ চনৰ এই দিনটোতে শ্ৰীমোডীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰীৰূপে কাৰ্য্যকাল আৰম্ভ কৰিছিল। বিগত বছৰ সমূহত ৰাজহুৱা সেৱাৰ পৰা ৰাষ্ট্ৰীয় সেৱাৰ মন্ত্ৰৰে শ্ৰী মোডীয়ে তেওঁৰ যাত্ৰা দ্ৰুত গতিত অব্যাহত ৰাখিছে বুলি শ্ৰী নবীনে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰতৰ প্ৰগতি কেৱল উন্নয়নতে সীমাবদ্ধ হৈ থকা নাই বৰং দেশৰ সাংস্কৃতিক পৰিচয় আৰু ঐতিহ্য শক্তিশালী হৈছে। প্ৰধানমন্ত্ৰী মোডীয়ে দেশৰ নেতৃত্ব লোৱাৰ সময়ত ভাৰতৰ নীতি নিৰ্দ্ধাৰণ ব্যৱস্থা বিসংগতিপূৰ্ণ আছিল আৰু বিশ্বৰ ৫ খন দুৰ্বল অৰ্থনীতিৰ ৰাষ্ট্ৰ হিচাপে চিহ্নিত আছিল বুলি তেওঁ কয়। ইয়াৰ বিপৰীতে সম্প্ৰতি ভাৰত বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিৰ অন্যতম হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে।

বাইট (নীতিন নবীন)

সেৱা সংকল্প অভিযানৰ অধীনত ৰক্তদান শিবিৰ মুকলি কৰা হব। তদুপৰি প্ৰধানমন্ত্ৰীলৈ কৃতজ্ঞতা সূচকভাৱে চহৰ নগৰ সমূহত কলহ যাত্ৰা আৰু সেৱাই মোৰ বৰঙণি শীৰ্যক কাৰ্য্যসূচী গ্ৰহণ কৰা হব।

০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত আজি নৱম ৰাষ্ট্ৰীয় পোষণ অৰ্থাৎ পৰিপুষ্টি মাহ ২০২৬ মুকলি কৰিব। এইবাৰৰ এই মাহৰ বিষয় হৈছে **আমাৰ অংগনৱাড়ী আমাৰ দায়িত্ব।** এই কাৰ্যসূচীৰ অংশ হিচাপে খাদ্য

তালিকাত পৰ্যাপ্ত প্ৰটিন, অংগনৱাড়ী কেন্দ্ৰসমূহত সতেজ আৰু গৰম খাদ্য যোগানত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ ১০ বছৰ সম্পূৰ্ণ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৰিপুষ্টি শিক্ষা প্ৰসাৰৰ প্ৰয়াস কৰা হ'ব। আজি উদ্বোধনী অনুষ্ঠানৰ অংশ হিচাপে পৰিপুষ্টি মেলা আৰু হিতাধিকাৰীসকলৰ অভিজ্ঞতাৰ ওপৰত আধাৰিত আৰু ভিডিঅ' প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীৰ সৈতে অংগনৱাড়ী কৰ্মীসকলৰ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হ'ব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সাবিত্ৰী ঠাকুৰ আৰু উত্তৰ প্ৰদেশৰ শিশু আৰু মহিলা কল্যাণ তথা পুষ্টি বিভাগৰ মন্ত্ৰী বেবীৰাণী মৌৰ্যা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

উল্লেখযোগ্য যে পৰিপুষ্ট ভাৰতক আধাৰ হিচাপে লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্য আগত ৰাখি ২০১৮ চনত ৰাষ্ট্ৰীয় বিকাশ কাৰ্যসূচীৰ অধীনত পোষণ অভিযান আৰম্ভ কৰা হৈছিল। মহিলা, শিশু আৰু কিশোৰ-কিশোৰীৰ মাজত পৰিপুষ্টি, স্বাস্থ্য আৰু স্বাস্থ্য যতনৰ অভ্যাস গঢ়ি তোলাৰ বাবে প্ৰতিবছৰে ছেপ্তেম্বৰত পালন কৰা পোষণ মাহৰ কাৰ্যসূচী গণ আন্দোলন হিচাপে পৰিগণিত হৈছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি কলম্বোত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়কেৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই সভ্যতাৰ দিশৰ পৰা প্ৰাচীন কালৰে পৰা সম্পৰ্কৰ বান্ধোনেৰে বান্ধ খাই থকা, ঘনিষ্ঠ চুবুৰীয়া আৰু সামুদ্ৰিক সহযোগী হিচাপে ভাৰত আৰু শ্ৰীলংকাই উভয় দেশ বিকাশ আৰু জনসাধাৰণৰ কল্যাণৰ বাবে কাম কৰি যাব বুলি দোহাৰে। তেওঁলোকে বৈঠকত অঞ্চলটোৰ সুৰক্ষা, নিৰাপত্তা, শান্তি আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ বাবে একেলগে কাম কৰাৰ সংকল্পৰ বিষয়ে পুনৰ উল্লেখ কৰা বুলি শ্ৰীসিঙে সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে।

০০০০

নেপালৰ আকষ্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৩৬৫ হৈছেগৈ। ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পৰা এতিয়াও মৃতদেহ উদ্ধাৰ কৰি থকা হৈছে। উদ্ধাৰকাৰী বাহিনীয়ে ৫ হাজাৰ ৩২৬ জন লোকৰ সন্ধান অব্যাহত ৰাখিছে। ইয়াৰ ভিতৰত কমেও ৫৮৯ জন বিদেশী নাগৰিক আছে। নেপাল চৰকাৰে জনোৱা মতে, উদ্ধাৰকাৰী বাহিনীয়ে চিটৱান জিলাৰ পৰা ৩৬৩ টা, নাৱালপাৰাচি পূৱ জিলাৰ পৰা ২২৬ টা, নাৱালপাৰাচি পশ্চিম জিলাৰ পৰা ২২২ টা আৰু নোৱাকোট জিলাৰ পৰা ১৯৭ টা মৃতদেহ উদ্ধাৰ কৰিছে। একেদৰে ৰাছোৱাৰ পৰা ১৭৪ টা, গোৰখাৰ পৰা ৭৫, ধাদিঙৰ পৰা ৭০ আৰু তানাহুৰ পৰা ৩৮ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। বৰ্তমানলৈকে চিনাক্তকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত ১০২ টা মৃতদেহ পৰিয়ালক গটাই দিয়া হৈছে। ইপিনে, এহেজাৰ ১৪৭ টা মৃতদেহ এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই। উল্লেখযোগ্য যে যোৱা ২৬ আগষ্টত নেপাল আৰু তীববত সীমান্তত হিমস্খলন হৈ সৃষ্টি হোৱা আকস্মিক বানত উত্তৰ আৰু মধ্য নেপালত ভালেসংখ্যক চহৰ আৰু গাঁৱৰ বিস্তৰ ক্ষতি হয়। চীনা সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি এই দুৰ্যোগত চীনৰ ফালে কমেও ৪৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে তিববতত ৫০০ ৰো অধিক লোক সন্ধানহীন হয়।

০০০০

জৱাহৰ নৱোদয় বিদ্যালয়ৰ ২৭ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ অনুষ্ঠান কাইলৈ নতুন দিল্লীৰ সংসদ ভৱনত অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে এই অনুষ্ঠানত সভাপতিত্ব কৰিব আৰু প্ৰতিযোগিতাত উন্নত প্ৰদৰ্শন কৰা শিক্ষাৰ্থী আৰু বিদ্যালয়সমূহৰ পুৰস্কাৰ প্ৰদান কৰিব।

সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে যোৱা ৩০ বছৰ ধৰি জৱাহৰ নৱোদয় বিদ্যালয় ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। জৱাহৰ নৱোদয় বিদ্যালয়ৰ ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতা আঁচনিৰ অধীনত ২০২৫-২৬ বৰ্ষৰ বাবে আয়োজন কৰা ২৭ সংখ্যক প্ৰতিযোগিতাত এইবেলি সমগ্ৰ দেশৰ নৱোদয় বিদ্যালয় সমিতিৰ ৮টা অঞ্চলত এশৰো অধিক বিদ্যালয়ে অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পৰম বীৰ চক্ৰৰে সন্মানিত  কেপ্টেইন বিক্ৰম বাট্ৰাৰ জয়ন্তীত শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰী শ্বাহে কয় যে কাৰ্গিল যুদ্ধৰ সময়ত কেপ্টেইন বাট্ৰাই কৌশলগতভাৱে গুৰুত্বপূৰ্ণ শৃংগসমূহ দখল কৰাৰ লগতে অদম্য সাহস আৰু নেতৃত্বৰে জোৱানসকলৰ মনোবল বৃদ্ধি কৰিছিল। তেওঁ কয় যে মাত্ৰ ২৪ বছৰ বয়সতে দেশৰহকে প্ৰাণ দিয়া বাট্ৰাৰ ত্যাগ আৰু বলিদানে দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই সত্য নিকেতনত কেইবামহলীয়া অট্টালিকা ভাঙি পৰাৰ ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ৰাজধানীৰ কেইবাটাও স্থানত অবৈধ নিৰ্মাণকাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ দিল্লী পৌৰ নিগমক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৌৰ নিগমৰ সকলো শীৰ্ষ বিষয়াক এই কাৰ্যৰ সময়ত উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে। তেওঁ লগতে দিল্লীৰ পেইং গেষ্টসমূহৰ থকাৰ ব্যৱস্থা পৰিদৰ্শনৰ উপৰি বিষয়াসকলক অকৰ্তৃত্বশীল নিৰ্মাণ কাৰ্যসমূহ পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

অহা ৬ অক্টোবৰত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰি কয়, যে উপ-নিৰ্বাচনৰ বাবে সমষ্টিটোত দুহেজাৰ ৩৩০টা ভোটকেন্দ্ৰ সাজু কৰি তোলা হৈছে। অহা ১৫ ছেপ্তেম্বৰত প'লিং-প্ৰিজাইডিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হ'ব বুলি তেওঁ কয়।

নিৰ্বাচন আয়োগে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। উপ-নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ লগতে নিৰ্বাচনী ব্যৱস্থাপনাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে কালি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে সভাত নিৰ্বাচনৰ সৈতে জড়িত সকলো বিভাগৰ বিষয়াক নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে পালন আৰু বলৱৎ কৰাৰ ক্ষেত্ৰত দায়িত্বশীল ভূমিকা পালন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

ইছমাইলি সম্প্ৰদায়ৰ ৫০ সংখ্যক ইমাম প্ৰিন্স ৰহিম আগা খান পঞ্চম উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণৰ আমন্ত্ৰণ মৰ্মে আজি ৭ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ভ্ৰমণ কালত আগা খানে ৰাষ্ট্ৰপতি দ্ৰৌপদি মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰিব। তেওঁ লগতে গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ

জয়শংকৰক সাক্ষাৎ কৰাৰ কথা। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভ্ৰমণকালত আগা খান আহমেদবাদ, মুম্বাই আৰু হায়দৰাবাদলৈও যাব।

০০০০

মিজোৰামৰ ছেইটুৰেল জিলাই ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থাৰ ম'বিলাইজেচন এইডছ সুৰক্ষা অভিযানৰ অধীনত সুৰক্ষিত মৰ্যাদা লাভ কৰিছে। ইয়াৰ লগে লগে ছেইটুৰেল এনে কৃতিত্ব অৰ্জন কৰা মিজোৰামৰ একমাত্ৰ জিলাৰূপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে আক্ৰান্ত লোকৰ ৯৫ শতাংশ চিনাক্ত কৰা, চিনাক্ত হোৱা লোকৰ ৯৫ শতাংশ চিকিৎসাৰ আওঁতালৈ অনা আৰু চিকিৎসাধীন ৯৫ শতাংশ লোকৰ দেহত ভাইৰাছৰ মাত্ৰা নিয়ন্ত্ৰণ কৰাৰ লক্ষ্যত উপনীত হ'লে কোনো এখন জিলাক ম'বিলাইজেচন এইডছ সুৰক্ষা অভিযানৰ অধীনত সুৰক্ষিত মৰ্যাদা প্ৰদান কৰা হয়। এই অভিযানৰ অধীনত জিলাসমূহক সাফল্যৰ ভিত্তিত চাৰিটা শ্ৰেণীত বিভক্ত কৰা হয়। তিনিওটা লক্ষ্যত উপনীত হোৱা জিলাসমূহক সুৰক্ষিত শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ বিপৰীতে মাতৃৰ পৰা শিশুৰ দেহলৈ এইচ আই ভি সংক্ৰমণ সম্পূৰ্ণৰূপে ৰোধ কৰা জিলাসমূহক সুৰক্ষিত প্লাছ শ্ৰেণীত ৰখা হয়।

০০০০

০০০০

সমাপ্ত